## প্ৰথম অধ্যায়

# ১.০০ শ'ল'গুৰি মৌজাৰ চমু পৰিচিতি

শিৱসাগৰ জিলাৰ এটা বুৰঞ্জীপ্ৰসিদ্ধ অঞ্চল হ'ল শ'ল'গুৰি মৌজা। শ'ল'গুৰি গাঁৱৰ নামেৰেই মৌজাখনৰ নাম শ'ল'গুৰি হোৱা বুলিয়ে মৌজাবাসী ৰাইজে বিশ্বাস কৰে। মৌজা তথা গাঁওখনৰ নাম শ'ল'গুৰি কেনেকৈ হ'ল, সেই বিষয়ে কেইবাটাও জনশ্ৰুতি তথা কাহিনী মানুহৰ মুখে মুখে প্ৰচলিত হৈ আছে। 'কোনো ঠাইত জোপাচেৰেক শলখ গছ আছিল আৰু সেই গছৰ গুৰিতে প্ৰথমে গাঁও পতাহি বাবে গাঁওখনৰ নাম শ'ল'গুৰি হয় বুলি কয়।' (দত্ত ২৬৫) আকৌ, আন একাংশৰ মতে, শ'ল'গুৰি সত্ৰৰ নামেৰে গাঁওখনৰ নামো শ'ল'গুৰি হৈ পৰে। শৈলধৰ ৰাজখোৱাই তেখেতৰ আত্মজীৱনী 'অতীতৰ সোৱৰণী'ত (১৯৬৯) লিখিছে, 'পূৰ্বে শিৱসাগৰত মহাপুৰুষীয়া সত্ৰ আৰু কোৱামৰা সত্ৰ, শ'ল'গুৰি সত্ৰ নামে একোখন সত্ৰ আছিল। স্বৰ্গদেউ কমলেশ্বৰ সিংহ (১৮০৯ চন) আৰু চন্দ্ৰকান্ত সিংহ এই মহাপুৰুষীয়া সত্ৰৰে শিষ্য আছিল।' এই শ'ল'গুৰি সত্ৰৰ অৱস্থিতি সম্পৰ্কে বিভিন্ন লেখনীত বিভিন্ন তথ্য পোৱা যায়। প্ৰকৃততে, এই সত্ৰখনৰ নামৰ পৰাই গাঁওখনৰ নামো শ'ল'গুৰি হোৱাৰ সম্ভাৱনাই অধিক।

আকৌ, 'বৃটিছ আমোলৰ প্ৰাৰম্ভত মৌজা ব্যৱস্থাৰ প্ৰৱৰ্তন হোৱাত ৰজাঘৰে ৰতিৰাম বৰবৰাক এই অঞ্চলৰ প্ৰথম মৌজাদাৰ নিযুক্তি দিয়ে। এফালেদি ৰতিৰামে ইতিপূৰ্বে ৰজাৰ পৰা বৰবৰা আৰু পানী শ'ল'গুৰিয়া ৰাজখোৱাৰ বিষয় খাইছিল; আৰু ৰুচিনাথ বুঢ়াগোহাঁইৰ পাঠত তিনি-চাৰি বছৰ বুঢ়াগোহাঁই খেলৰ কামো চলাই প্ৰতাপী হৈ উঠিছিল।' (দত্ত ২৬৭) এই ৰতিৰাম বৰবৰা আকৌ শ'ল'গুৰি সত্ৰৰ শিষ্যও আছিল। গতিকে বৃটিছে তেওঁক মৌজাদাৰ নিযুক্তি দিয়াৰ পাছত তেওঁৰ পৰামৰ্শমৰ্মেই সত্ৰ তথা গাঁওখনৰ নামেৰেই শ'ল'গুৰি মৌজাৰো নামকৰণ কৰা হ'ল।

### ১.০১ ভৌগোলিক অৱস্থিতি আৰু পৰিৱেশ ঃ

২০১৫ চনৰ ১৫ আগষ্টত শিৱসাগৰ জিলাৰ পৰা চৰাইদেউ মহকুমা পৃথক হৈ নতুন জিলা

ঘোষিত হয়। সেয়েহে বৰ্তমান শিৱসাগৰ জিলাৰ মহকুমা দুটা—

(ক) শিৱসাগৰ

(খ) নাজিৰা

শিৱসাগৰ জিলাৰ ৰাজহ চক্ৰ ছয়টা—

(ক) সোণাৰী

(খ) শিৱসাগৰ

(গ) নাজিৰা

(ঘ) ডিমৌ

(ঙ) আমগুৰি

(চ) মাহমৰা

শিৱসাগৰ ৰাজহ চক্ৰৰ মৌজা চাৰিটা—

(ক) দোপদৰ মৌজা

(খ) শ'ল'গুৰি মৌজা

(গ) ম'ৰাবজাৰ মৌজা

(ঘ) গধূলিবজাৰ মৌজা

শ'ল'গুৰি মৌজাৰ চাৰিসীমাটো এনেধৰণৰ—

পূবে—নাজিৰা চক্ৰ

পশ্চিমে—মৌৰাবজাৰ মৌজা

উত্তৰে—শিৱসাগৰ চক্ৰ

দক্ষিণে—দোপদৰ মৌজা

শ'ল'গুৰি মৌজাৰ মাটিকালি ৪৮.৬০ বৰ্গ কি.মি. আৰু ই সাগৰ পৃষ্ঠৰ পৰা ৯৫ মিটাৰ বা ৩১১ ফুট উচ্চতাত অৱস্থিত।

শ'ল'গুৰি মৌজাৰ দুখন উল্লেখযোগ্য নদী হ'ল নামদাং আৰু ডিমৌ। এসময়ৰ বৃহৎ নদী হিচাপে জনাজাত নামদাং নদী শ'ল'গুৰি মৌজাৰ মাজেৰে বৈ গৈছে। বৰ্তমান মৰানদীত পৰিণত হোৱা নামদাং এসময়ত নগা পাহাৰৰ পৰা উৎপত্তি হৈ শিৱসাগৰ মহকুমাৰ বিভিন্ন স্থান অতিক্ৰম কৰি দিখৌ নদীত পৰিছিলহি। কিন্তু, আধুনিক যুগত গোসাইগাঁও নামৰ ঠাইত নামদাং নদীত বান্ধ

মাৰি ইয়াৰ পানীভাগ মিটং নদীত পেলাই দিয়াৰ পাছত পূৰ্বৰ ভৰা নামদাঙে গৰিমা হেৰুৱাই এৰানদীলৈ পৰিণত হ'ল (নামদাং ১৬)। ১২২৮ চনত এই অঞ্চল পৰিভ্ৰমণ কৰা চুকাফাই নামদাং নদীত তিনি হেজাৰ পানী খোৰা ঘাট দেখাৰ কথা বুৰঞ্জীত উল্লেখ আছে—"ছয় লাক্‌নি তাতে থাকি মানুহ পঠাই চোৱালত নামদাঙ্গত তিনি হেজাৰ পানী খোৰা ঘাট দেখিলে।" (দেওধাই বুৰঞ্জী ৭)। উল্লেখযোগ্য যে নামদাঙৰ ওচৰ-পাজৰৰ অঞ্চলখিনি পূৰ্বতে নামদাং নামেৰেই জনাজাত আছিল। নামদাং নদীয়ে গতিপথ সলনি কৰাৰ ফলত সৃষ্টি হোৱা পদুমনি বিল মৌজাটোৰ লেখত ল'বলগীয়া বিলৰ ভিতৰত এখন। ইয়াৰ উপৰিও জেৰেঙা বিল, নামদাং বিল, গৰৈমাৰী বিল, বাউলী বিল আদি আন দুখনমান উল্লেখযোগ্য বিল। ৰূপজান, আইলাজান, খনাজান, নাওজান আদি জানসমূহে বাৰিষা কালত বানপানী নিয়ন্ত্ৰণত কিছু সহায় কৰে। বৰ্তমান নাওজান আৰু খৰিকটীয়া আলিৰ কাষত থকা খালসমূহ মানুহে পুতি পেলোৱাৰ ফলত বানপানীৰ সৃষ্টি হোৱা দেখা যায়। ইয়াৰ উপৰিও নামদাঙৰ দাঁতিয়ে দাঁতিয়ে চাৰি-পাঁচটামান ডোবা আছে। বাৰিষা এই ডোবাবোৰত যথেষ্ট পৰিমাণে মাছ পোৱা যায়। নামদাঙৰ লগতে সংগতি ৰাখি ডিমৌ নদীয়েও অতীজৰে পৰা মৌজাখনৰ উৰ্বৰা বিলাই আহিছে। শ'ল'গুৰি মৌজাৰ গছ-গছনিৰে ভৰা সেউজীয়া পৰিবেশ আৰু কৃষিকাৰ্যত এই নদী, জান, বিলসমূহে সহায় কৰাৰ উপৰিও মৌজাখনৰ জনসাধাৰণৰ মাছৰ চাহিদা পূৰণ কৰে। মৌজাখনৰ প্ৰায়বিলাক ভূমিয়ে স্থানীয় বাসিন্দাৰ ৰাজহ দিয়া ভূমি। এইবিলাক কিছুমান মূল্যৱান গছ-গছনিৰ উপৰিও বাঁহ, বেত, পাতিদৈ আদিৰে ভৰা।

কৃষিৰ বাবে মৌজাখনত ঐতিহ্যমণ্ডিত তথা সাৰুৱা কেইবাখনো পথাৰ আছে, য'ত কৃষকসকলে বছৰি যথেষ্ট পৰিমাণৰ ধান উৎপাদন কৰে।

### ১.০২ ঐতিহাসিক দৃষ্টিকোণৰ পৰা শ'ল'গুৰি মৌজা ঃ

অসমৰ কেউখন জিলাৰ ভিতৰত আটাইতকৈ প্ৰাচীন কীৰ্তিচিহ্ন থকা ঠাই হ'ল শিৱসাগৰ জিলা। জিলাখনৰ তিনিটা মহকুমাৰ ভিতৰত বেছি প্ৰাচীন কীৰ্তিচিহ্ন শিৱসাগৰ মহকুমাতে আছে। কিয়নো, এই মহকুমাৰ ভিতৰতে আহোম ৰাজ্যৰ ৰাজধানী ৰংপুৰ নগৰ অৱস্থিত। শ'ল'গুৰি মৌজাও এই মহকুমাৰ ভিতৰুৱা হোৱা হেতুকে মৌজাটোত ভালেমান উল্লেখযোগ্য আহোম ৰাজত্বৰ স্মৃতি বাহক স্থাপত্য ভাস্কৰ্য দেখা যায়। শ'ল'গুৰি মৌজাত আহোম ৰজাই বিভিন্ন বৃত্তিৰ মানুহক থাপিছিল। সেয়েহে, মৌজাখনৰ আঠাইছখন গাঁৱৰ ভিতৰত তেৰখন গাৱঁৰ নাম আহোম ৰাজত্বৰ সময়ৰ বিভিন্ন

বৃত্তিৰ আলমত গঢ় লৈ উঠা। যেনে—ঘোঁৰাচোৰা গাঁও, লোণপুৰীয়া গাঁও, কহাৰ গাঁও, কুমাৰ গাঁও, ভৰলুৰা গাঁও আদি।

শিৱসাগৰ জিলাৰ আন আন কীৰ্তিচিহ্নৰ দৰেই শ'ল'গুৰি মৌজাৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ সৈতে বহু কাহিনী বা প্ৰবাদ জড়িত হৈ আছে। কীৰ্তিচিহ্নবোৰৰ ভিতৰত দৌল, দেৱালয়, আলি, পুখুৰী, গড় আদিয়ে প্ৰধান। ইয়াৰে কিছুমান অক্ষত অৱস্থাত আৰু আন কিছুমান প্ৰায় লুপ্ত অৱস্থাত পোৱা যায়। মৌজাটোত থকা কীৰ্তিচিহ্নসমূহ এনেধৰণৰ—

**জয়দ'ল ঃ—** জয়দ'লৰ আন এটা নাম হ'ল শ্ৰীকেশৱৰায় বিষ্ণুদ'ল। কোনো কোনোৱে ইয়াক জয়সাগৰৰ বৰদ'ল বুলিও কয়। সতী জয়মতীৰ বৰপুত্ৰ লাই অৰ্থাৎ ৰুদ্ৰসিংহ স্বৰ্গদেৱে মাকৰ স্মৃতি যুগমীয়া কৰাৰ মানসেৰে জেৰেঙা পথাৰত জয়সাগৰ পুখুৰী খান্দে আৰু তাৰ পাৰত 'পঞ্চদেৱতা'ৰ পাঁচোটা মন্দিৰ ১৭৯৮ চনত বান্ধে (নেওগ ৩৯)। এই পাঁচোটা মন্দিৰৰ ভিতৰত আটাইতকৈ ডাঙৰ মন্দিৰটোৱে হ'ল জয়দ'ল। জয়দ'লৰ পূৱপিনে গড়ৰ ভিতৰতে দুটা সৰু সৰু দুচলীয়া ইটাৰ পকীঘৰ আছে। ইয়াৰে এটি শ্ৰীসূৰ্য মন্দিৰ আৰু আনটি শ্ৰীগণেশ মন্দিৰ। বিগ্ৰহ আৰু পূজা-পাতল নোহোৱাৰ বাবে কোনটো কি মন্দিৰ খাটাংকৈ কোৱা টান। জয়দ'লৰ পৰা এক ফাৰ্লংমান পশ্চিমে আন এটি দ'ল আছে। এইটি বৈদ্যনাথ শিৱদ'ল। আনহাতে জয়সাগৰ পুখুৰীৰ উত্তৰ-পশ্চিম চুকত ২৮×২৪ হাত দীঘল-পুতলৰ এটা ইটাৰ দুচলীয়া পকীঘৰ আছে।

আহোম যুগত নিৰ্মিত এই দ'লটো অধিক কটকটীয়া গাঁথনি সমৃদ্ধ। জয়দ'লৰ বেৰত খোদিত কৰা ভাস্কৰ্যবোৰ আহোম ৰাজত্বকালত নিৰ্মিত আনবোৰ দ'লৰ বেৰৰ ভাস্কৰ্যতকৈ জীৱন্ত আৰু পৰিস্ফূট। জয়দ'লৰ ভাস্কৰ্যসমূহ আহোম ৰাজত্বকালৰ সৰ্বশ্ৰেষ্ঠ ভাস্কৰ্যৰ নিদৰ্শন। উল্লেখযোগ্য যে, এই দৌলৰ পৰিকল্পনাও উন্নতমানৰ। জয়দ'লৰ পৰিকল্পনাৰ লগত কামাখ্যা মন্দিৰৰ বাস্তুপুৰুষমণ্ডলৰ ওচৰ সম্পৰ্ক দেখা পোৱা যায়। (বৰা বৰদলৈ ৩৯)।

বৰ্তমান চৰকাৰী নথি অনুসৰি জয়দ'লৰ নামত সংৰক্ষিত হৈ থকা মাটি কালি ১ বিঘা ১২ লোচা। (বৰা বৰদলৈ ৩৯)।

**বগীদ'ল ঃ—** স্বৰ্গদেউ লক্ষ্মী সিংহই ১৬৮৫ শকত মাক বগী ৰাজমাওৰ নামেৰে বগীদ'ল নিৰ্মাণ কৰিছিল। ১৯৫০ চনত ভূমিকম্পত খহি পৰা এই দ'লটোৰ বৰ্তমান উত্তৰ-পূব অংশৰ অধিস্থানৰ পৰা জংঘাৰ আধামানলৈকে থকা বেৰৰ ভগ্নস্তুপহে দেখা পোৱা যায়। ভগ্নাৱশেষৰ পৰা দক্ষিণ-পশ্চিম কোণত দ'লৰ গণ্ডী অংশৰ বৃহৎ আকাৰৰ খণ্ড এটা পৰি আছে। স্থানীয় মানুহে তেখেতসকলৰ

পুৰুষাণুক্ৰমে প্ৰচলিত বিশ্বাস অনুসৰি জনায় যে দ'লটোৰ বাকী অংশবোৰ কাষৰ ডাঙৰ পুখুৰীটোত পৰি ডুব গৈ আছে। বগী ৰাজমাও দ'লৰ বিভিন্ন বিষয়বাববোৰ আছিল এনেধৰণৰ—বৰঠাকুৰ, পাত্ৰঠাকুৰ, পৰিচাৰক, তেলী, মালী, খাতোৱাল, বাৰী চোৱা, চাউল কৰা আৰু পানীতোলা। (বৰা বৰদলৈ ৪০)

**জগধাত্ৰী দ'ল ঃ—** শ'ল'গুৰি মৌজাৰ কালুগাৱঁৰ লক্ষ্মীসাগৰ পুখুৰীৰ পাৰত থকা দুটা দ'লৰ প্ৰথমটো হৈছে জগধাত্ৰী দ'ল। খৰিকটীয়া আলিৰ পৰা পশ্চিমে গৈ ১ কি.মি. পথ অতিক্ৰম কৰিলেই লক্ষ্মীসাগৰ পুখুৰীৰ পূব পাৰৰ মূৰৰ ফালে এটা দ'ল দেখা পোৱা যায়। এই দ'লটো বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ ভায়েক তথা জগধাত্ৰী দেৱীৰ উপাসক হৰিনাথ বৰপাত্ৰ গোহাঞিয়ে নিৰ্মাণ কৰিছিল।

দ'লটোৰ চাৰিওপাশে ইটাৰ গড়ো বন্ধোৱা হৈছিল। বৰ্তমানেও দ'লৰ দক্ষিণত ইটাৰ গড়ৰ ভগ্নাৱশেষ মাটিৰ পৰা ৩ ফুট ৫ ইঞ্চি ওপৰলৈ আছে। স্থানীয় লোকসকলৰ মতে এই গড় পূৰ্বতে অনেক গুণে ওখ আছিল। বৰ্তমান পূব, পশ্চিম আৰু উত্তৰে ইটাৰ গড় ধ্বংস হৈ মাটিৰ ঢিপত পৰিণত হৈছে। বৰ্তমানে থকা ইটাৰ গড় বাহিৰে পূবা-পশ্চিমাকৈ ২৫৬ ফুট, উত্তৰা-দক্ষিণাকৈ ১১৩ ফুট, (বৰা বৰদলৈ ৪৩)।

**বৰপাত্ৰ বিষ্ণুদ'ল ঃ—** জয়সাগৰ পুখুৰীৰ পৰা প্ৰায় ৩ কি.মি. দক্ষিণে খৰিকটীয়া আলিৰ পশ্চিম কাষে শ'ল'গুৰি মৌজাৰ বৰপাত্ৰ পুখুৰী বা লক্ষ্মীসাগৰ পুখুৰীৰ দক্ষিণ-পশ্চিমকোণত বৰপাত্ৰ দ'ল অৱস্থিত। এই দ'লটো ফুলেশ্বৰী কুঁৱৰীৰ ভায়েক হৰিনাথ বৰপাত্ৰ গোহাঞিয়ে সজাইছিল। বৰ্তমান বেদখলৰ প্ৰভাৱত দ'লটো বৰ শোচনীয় অৱস্থাত আছে। এই দ'লৰ নামত সংৰক্ষিত মাটিকালি ১ বিঘা ৪ লোচা। (বৰা বৰদলৈ ৪৪)। আহোম যুগত এই দ'লত নিতৌ পূজা-সেৱা চলিছিল।

**খঁৰা দ'ল ঃ—** স্বৰ্গদেউ গদাধৰ সিংহই শ'ল'গুৰি মৌজাৰ কালুগাৱঁত এটা দৌল সজাইছিল। কিন্তু কিবা কাৰণত স্বৰ্গদেউৱে বাঁহগড়টো মেছাগড়ৰ পৰা আগবঢ়াই পশ্চিমমুৱাকৈ বন্ধাওতে কালুগাৱঁতে গড়টোৰ কাম সমাপ্ত কৰি দিলে। এই গড়ৰ মূৰতে স্বৰ্গদেউৱে বন্ধোৱা দ'লৰ কামো আধৰুৱা হৈয়ে থাকি গ'ল। সেয়ে এই দ'লটোক খঁৰা দল আৰু গড়টোক খঁৰা গড় বোলা হয়। এই খঁৰা দ'ল কালৰ গৰ্ভতে লোপ পালে।

**পুখুৰী-স্থাপত্য ঃ—** শ'ল'গুৰি মৌজাত আহোম যুগৰ পুখুৰী কেইবাটাও আছে। কিছুমানৰ পানী বৰ্তমানেও জনসাধাৰণে ব্যৱহাৰ কৰে আৰু আন কিছুমান পুখুৰী বৰ্তমান পৰিত্যক্ত অৱস্থাত আছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য পুখুৰীসমূহৰ বিৱৰণ দাঙি ধৰা হ'ল—

**জয়সাগৰ পুখুৰী ঃ** এছিয়াৰ ভিতৰত মানুহে খন্দা আটাইতকৈ ডাঙৰ পুখুৰী হিচাপে পৰিগণিত জয়সাগৰ পুখুৰীটো মাত্ৰ পঞ্চলিছ দিনত খান্দি উলিওৱা হৈছিল। এশ সোতৰ পুৰা এক বিঘা ন লোচা মাটি কালিৰ এই বৃহৎ পুখুৰীটো মহা সতী জয়মতীৰ স্মৃতিত তেওঁৰ পুত্ৰ স্বৰ্গদেও ৰুদ্ৰসিংহই ১৬১৯ শকৰ আঘোণ মাহত খন্দোৱাইছিল। (বৰুৱা ৩৯)। আধুনিক হিচাপ মতে পুখুৰীৰ দীঘ পানীত পূবা-পশ্চিমাকৈ ২৯৬৪ ফুট, উত্তৰা-দক্ষিণাকৈ ২৩২৮ ফুট। ঢাপে-খাৰৈয়ে পানীয়ে পূবা-পশ্চিমাকৈ ৪২০০ ফুট, উত্তৰা-দক্ষিণাকৈ ৩৩০০ ফুট। (বৰা বৰদলৈ ৪৯)

**ৰুদ্ৰসাগৰ পুখুৰী ঃ** স্বৰ্গদেও লক্ষ্মীসিংহই পিতৃ ৰুদ্ৰ সিংহৰ স্মৃতিত এই পুখুৰীটো বৰবৰুৱা মাজিও তামোলকটা দাঁৰিকিয়াল মথন হাজৰিকাৰ হতুৱাই খন্দুৱাইছিল। লক্ষ্মী সিংহ টান নৰিয়াত পৰি স্বৰ্গী হোৱাৰ বাবে পুত্ৰ গৌৰীনাথ সিংহ ৰজা হৈ পুখুৰীটো উচৰ্গা কৰিছিল। নতুনকৈ খন্দোৱাৰ বাবে পুখুৰীটোক ন-পুখুৰী বুলিও কোৱা হয়।

**লক্ষ্মীসাগৰ পুখুৰী বা বৰপাত্ৰ পুখুৰী ঃ** বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ ভায়েক হৰিনাথ বৰপাত্ৰ গোহাঞিয়ে ৰজাৰ আদেশ অনুসৰি লক্ষ্মীসাগৰ পুখুৰী খন্দাইছিল (বৰা বৰদলৈ, ৫০)। বৰপাত্ৰ গোহাঞিৰ তত্বাৱধানত পুখুৰীটো খন্দোৱাৰ বাবে ইয়াৰ আন নাম হ'ল বৰপাত্ৰ পুখুৰী। বৰ্তমান এই পুখুৰীটো বেদখলকাৰীৰ কৰলত পৰি নিশ্চিহ্ন হোৱাৰ উপক্ৰম হৈছে।

**আলি-কেঁকুৰিৰ পুখুৰী ঃ** মেটেকা আলিৰ কেঁকুৰি পৰাৰ বাবে এই স্থানক আলি-কেঁকুৰি বোলা হয়। স্বৰ্গদেউ লক্ষ্মীসিংহৰ মাক বগী ৰাজমাৱে এই স্থানতে পুখুৰী খন্দাইছিল বাবে পুখুৰীটোৰ নাম আলি-কেঁকুৰিৰ পুখুৰী হয়। পুখুৰীটোৰ আধুনিক জোখ-মাখ ঃ পূবা-পশ্চিমাকৈ দীঘে পুতলে ৭৮ ফুট, উত্তৰা-দক্ষিণাকৈ ৬৭.২ ফুট। (বৰা বৰদলৈ ৫১)

**ছ-অঁৰা পুখুৰী ঃ** ছ-অঁৰা পুখুৰীৰ আন নাম হৈছে পহুগড় বা পশুগড়। ই আহোম যুগৰ চিৰিয়াখানা আছিল। স্বৰ্গদেউ ৰুদ্ৰ সিংহই ঐতিহাসিক জেৰেঙা পথাৰৰ বুকুত আশ্চৰ্যজনক নিৰ্মাণশৈলী আৰু কৌশল খটুৱাই এই পশু গড়টো নিৰ্মাণ কৰিছিল (বৰা বৰদলৈ ৫১)। গড়টোৰ মাজ অংশত খাৰৈ খান্দি শাৰী শাৰীকৈ ছ-অঁৰা অৰ্থাৎ ২৪ টা গড় নিৰ্মাণ কৰা হৈছিল। এই খাৰৈসমূহকে ছ-অঁৰা পুখুৰী বোলে। এই খাৰৈবোৰ বৰ্তমান মাছ পুহিবৰ বাবে ঠিকাদাৰক লীজত দিয়া হয়।

**খেমদৈ পুখুৰী ঃ** জনশ্ৰুতিমতে গদাধৰ সিংহই সোণপাহী নামৰ এগৰাকী গাভৰুৰ সোঁৱৰণত এই পুখুৰীটো খন্দাইছিল আৰু নাম দিছিল 'খামদৌ পুখুৰী' (খাম-সোণ, দৌ-পাহি)। কিন্তু, সময়ৰ লগে লগে মানুহৰ মুখে মুখে বাগৰি এই পুখুৰীৰ নাম খেমদৈ হৈ পৰে। এই ঐতিহাসিক পুখুৰীটো

প্ৰথম ৬ বিঘা মাটি আগুৰি আছিল যদিও বৰ্তমান ৩ বিঘা মাটিলৈ হ্ৰাস পালে। গাৱঁৰ ৰাইজে এই পুখুৰীটোক বৰপুখুৰী বুলি কয়।

**পাখিমৰীয়া পুখুৰী ঃ** ধোদৰ আলিৰ দক্ষিণ পাৰে অভয়পুৰীয়া গাৱঁত এই পুখুৰী অৱস্থিত। জনশ্ৰুতি মতে এই স্থানত ৰজাসকলে চৰাই মাৰিছিল বা চিকাৰ কৰিছিল সেয়েহে ঠাইখন তথা পুখুৰীটোৰ নাম পাখিমৰীয়া হ'ল।

**চিৰস্তাদাৰ বৰুৱা পুখুৰী ঃ** বৰুৱা পুখুৰী বা চিৰস্তাদাৰ বৰুৱা পুখুৰী শ'ল'গুৰি মৌজাৰ আন এক লেখত ল'বলগীয়া পুখুৰী। বৃটিছ শাসনৰ মধ্যভাগত এই পুখুৰী খন্দোৱা হৈছিল। পুখুৰীটোৰ ইতিহাস সম্বন্ধে সংগৃহীত তথ্য মতে, চিপাহী বিদ্ৰোহৰ বিদ্ৰোহী মণিৰাম বৰভাণ্ডাৰী বৰুৱা সহযোগী দুতিৰাম বৰুৱাক বৃটিছ চৰকাৰে নিৰ্বাসন দিছিল। তেওঁৰে পূৰ্বপুৰুষ 'অকৰা' নামৰ এজন ব্যক্তিয়ে এই পুখুৰী খন্দাই ৰাইজৰ পানীৰ অভাৱ পূৰণ কৰিছিল। গাঁৱৰ খৰিকটীয়া আলিৰ কাষত পুখুৰীটো খান্দি চাৰি খাৰৈ নাদ মাৰি নাদ পকা কৰি আহোমৰ ৰীতি মতে এজনী কলী গৰুৰ চাৰি খুৰা সোণেৰে বন্ধাই ৰাইজৰ নামত উৎসৰ্গা কৰে। তেতিয়াৰে পৰা এই পুখুৰীটো চিৰস্তাদাৰ বৰুৱা পুখুৰী নামে জনাজাত হ'ল।

**গড় আৰু আলি ঃ**

**বিবুধি গড় বা কেৰি-মেৰি গড় ঃ** স্বৰ্গদেও গৌৰীনাথ সিংহই মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ ১৬৪৮-৬৩ খ্ৰীষ্টাব্দৰ ভিতৰত প্ৰধানমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ তত্বাৱধানত বৰ্তমানৰ শ'ল'গুৰি মৌজাৰ কেইবাখনো গাঁও ছেদ কৰি যোৱাকৈ বিবুধি গড় বা কেৰিমেৰি গড়টো নিৰ্মাণ কৰিছিল। গড়টোৰ কৌশল দেখি শত্ৰুসেনা বুদ্ধিহীন হৈ পৰিছিল বাবে গড়টোৰ নাম বিবুধি গড় হয়। তদুপৰি গড়টো একাবেকাকৈ বা কেৰিমেৰিকৈ বন্ধা বা মানুহৰ মুখত পৰি কেৰি-মেৰি গড় নামেৰে জনাজাত হৈ পৰে। আহোম যুগত এই বিচিত্ৰ কৌশলী গড়টো নিৰ্মাণ কৰি আহোম সেনাই বহুত মোৱামৰীয়া সেনা যুদ্ধত নিপাত কৰিছিল। (বৰা বৰদলৈ ৫৩)

**পহুগড় বা পশুগড় ঃ** এই গড়ৰ ভিতৰত আহোম যুগৰ চিৰিয়াখানা আছিল। বৰ্গক্ষেত্ৰাকাৰ গড়টোৰ মাটিকালি ১২০ পুৰা। ২৪ টা গড়ৰে বান্ধি থোৱা ঠাইখিনিৰ ভিতৰলৈ যাবলৈ মূল গড়ৰ পৰা সোমোৱাৰ এটা আৰু ওলোৱাৰ দুটা পথহে আছিল। বেহুৰ দৰে তৈয়াৰ কৰা গড়টোৰ দুৱাৰমুখত চিপাহী-চন্তৰী আছিল আৰু গড়ৰ ভিতৰত আহোম যুগৰ পশুবোৰ সংৰক্ষণ কৰি ৰখা হৈছিল। পশুৰ উপৰিও সাপ আৰু চৰাই-চিৰিকটিও ৰখা হৈছিল। কথিত আছে যে, এবাৰ গড়টোত সোমালে গোটেই

গড়বোৰ ঘুৰি-পকি চৌৱিছ ঘন্টাৰ মূৰতহে বাহিৰ ওলাব পৰা গৈছিল। প্ৰতিটো গড়ৰ ভিতৰৰ পৰা মূল গড়লৈ পোন্ধৰ হাতকৈ পানীৰে ভৰা ব্যৱধান। এই ব্যৱধান কোনো মানুহ বা পশু জঁাপ মাৰি পাৰ হোৱাটো সম্ভৱ নহয়। গড়টো বিজ্ঞানসন্মত হোৱাৰ লগতে কৌশলপূৰ্ণও।

**খঁৰা গড় ঃ** ইতিমধ্যে উল্লেখ কৰা খঁৰা দ'লৰ লগত সম্পৰ্কিত এই গড়টোৰ সবিশেষ খঁৰা দ'লৰ স'তে দাঙি ধৰা হৈছে।

**বৰ আলি ঃ** স্বৰ্গদেউ প্ৰতাপ সিংহই ১৬০৩-১৬৪১ খ্ৰীষ্টাব্দত বন্ধোৱা বৰ আলিটো শ'ল'গুৰি মৌজাৰ জয়সাগৰক চুই গৌৰসাগৰ হৈ দিখৌমুখৰ ওচৰৰ ব্ৰহ্মপুত্ৰ নদীত লাগিছে। পূৰ্বে প্ৰায় ৬০ কি.মি. দীঘল আছিল যদিও ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ বাবে দূৰত্ব কিছু হ্ৰাস হোৱা পৰিলক্ষিত হয়।

**নগা আলি ঃ** গড়গঞা ৰজাৰ ৰাজত্বকালত আহোম ৰাজ্যৰ পৰা নগা পাহাৰলৈ যোৱাৰ সুবিধাৰ্থে বন্ধোৱা এই আলিটো নামদাং শিলসাকোঁৰ পৰা বৰ আলিত আৰম্ভ হৈ চাৰিং হৈ নগা পাহাৰলৈ বন্ধাইছিল।

**মানুহ কটা আলি ঃ** বৰ আলিৰ পৰা পহু গড় হৈ এই আলিটো দক্ষিণফালে গৈছে। ই ৰুদ্ৰসাগৰৰ পৰা আৰম্ভ হৈছে। স্থানীয় লোকৰ মুখত পৰি এই আলিটোৱে মান কটা আলি নাম পালে। এই আলিৰে আহোম যুগত শিৰচ্ছেদৰ দণ্ড পোৱা দোষীক চাউদাঙে নি নামদাঙৰ পাৰত এচটা সেউজীয়া শিলত শিৰচ্ছেদ কৰিছিল। এই আলিটো একৈশটা কেঁকুৰিযুক্ত।

**খৰিকটীয়া আলি ঃ** এই আলি স্বৰ্গদেও ছ্যু-খ্ৰাং-ফাই বন্ধোৱাইছিল। ই বৰ আলিৰ পৰা দক্ষিণ-পূব দিশে নগা পাহাৰত লাগিছে। এই আলিয়েদি ৰজাৰ ৰাজধানী ৰংপুৰলৈ মূল্যৱান বিৰিং খৰি অনা হৈছিল। (বৰা বৰদলৈ ৫৪)

**জেৰেঙা পথাৰ ঃ** আহোম শাসনকালৰ বধ্যভূমি জেৰেঙা পথাৰ ইতিহাসৰ অনেক নিৰ্মম ঘটনাৰ সাক্ষী। ৰাজদ্ৰোহী অপৰাধীক জেৰেঙাৰ হাবিৰ মাজলৈ নি মৃত্যুদণ্ড বিহা হৈছিল। ল'ৰা ৰজাৰ আজ্ঞাৰে লালুকসোলা বৰফুকনে অনেক ৰাজকোঁৱৰক জেৰেঙাতে নি হত্যা কৰিছিল। হাতীৰ সন্ধান দিব নোৱাৰাৰ দোষত ৰজা চুহুংমুঙৰ হাতত আলি কেঁকুৰিত বন্দী হোৱা মহাপুৰুষ মাধৱদেৱ আৰু মহাপুৰুষ শংকৰদেৱৰ জোঁৱায়েক হৰিকো এই জেৰেঙাৰ বুকুলৈকে হত্যাৰ বাবে অনা হৈছিল। কেও কিছু নথকাৰ বাবে মাধৱদেৱ দৈৱক্ৰমে ৰক্ষা পৰিছিল যদিও হৰিজোঁৱাইক জেৰেঙাতে শিৰচ্ছেদ কৰা হৈছিল।

জেৰেঙা পথাৰত ঘটা আটাইতকৈ কৰুণতম ঘটনা হ'ল জয়মতী হত্যা। জনশ্ৰুতি অনুসৰি

কোটকোৰা গছত বান্ধি অমানুষিক অত্যাচাৰেৰে জয়মতীক দিয়া শাস্তি গৌৰৱোজ্জ্বল আহোম যুগৰ কলংকিত অধ্যায়।

বুৰঞ্জী গৱেষক মানিক বৰগোহাঞিয়ে উদ্ধাৰ কৰা এটি জনগীতৰ মতে চাওদাঙৰ অমানুষিক অত্যাচাৰৰ মাজেৰে পোন্ধৰ দিনৰ দিনা জয়া কুঁৱৰীয়ে প্ৰাণ ত্যাগ কৰিছিল। (বৰা বৰদলৈ ২২৬)

উল্লেখযোগ্য যে, এই বধ্যভূমি জেৰেঙাতেই গদাধৰ সিংহৰ ৰাজত্বকালত ৰূপাই দা-ধৰাৰ চক্ৰান্তত চাউদাঙে আজান পীৰ চাহেবৰ চকু কাঢ়িছিল বুলি জনশ্ৰুতি আছে।

স্বৰ্গদেউ গদাধৰ সিংহ আৰু ৰুদ্ৰসিংহৰ দিনত জেৰেঙাৰ বুকুত অনেক আলি, গড়, পুখুৰী, বাৰী, দ'ল, দেৱালয় প্ৰতিষ্ঠা হ'ল। জেৰেঙাৰ বুকুতে ঐতিহাসিক ৰংপুৰ নগৰ প্ৰতিষ্ঠা হ'ল। স্বৰ্গদেউ প্ৰতাপ সিংহই জেৰেঙাৰ বুকুৰে নিৰ্মাণ কৰা গজপুৰীয়া আলিয়েই হ'ল আজিৰ শ'ল'গুৰি মৌজাৰ উত্তৰ-পশ্চিম সীমা। জেৰেঙা শ'ল'গুৰি মৌজাৰ ইতিহাস আৰু ঐতিহ্যৰ আধাৰ। অৱশ্যে বৰ্তমান তাহানিৰ জেৰেঙাৰ বহল পৰিসৰ যথেষ্ট ঠেক হৈ পৰিল যদিও ইয়াৰ গুৰুত্ব হ্ৰাস হোৱা নাই। মৌজাখনৰ জনসাধাৰণৰ কৃষিকাৰ্যত জেৰেঙা পথাৰ যথেষ্ট সহায়ক হয়।

### ১.০৩ শ'ল'গুৰি মৌজাৰ সামাজিক প্ৰেক্ষাপট আৰু জনগাঁথনি ঃ

১৬৯৮ খ্ৰী.ত স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰংপুৰত নগৰ কৰি ৰাজধানী পাতে। (সন্দিকৈ ৭) পূৰ্বৰে পৰা জাতীয় অৰ্থনীতিৰ স্থায়ী বিকাশৰ বাবে আহোম স্বৰ্গদেউসকলে এক বিশেষ কৌশল অৱলম্বন কৰিছিল। বিভিন্ন স্থানত বাস কৰা বৃত্তিয়াল মানুহৰ পৰিয়ালসমূহক উঠাই আনি একে ঠাইতে থাপিছিল। ইয়াৰ ফলত একোটা বৃত্তিয়াল খেলৰ সৃষ্টি হৈছিল। এই প্ৰত্যেক খেলৰ ব্যক্তিসকলে নিজ কৰ্মৰ জৰিয়তে ৰজাঘৰলৈ নিষ্ঠাসহকাৰে কাম কৰাৰ উপৰিও নিজৰ লগতে পৰিয়ালৰ পেট পুহিছিল।

শ'ল'গুৰি মৌজাত মূলতঃ এনে বৃত্তিয়াল খেলৰ লোকসকলে বসবাস কৰিছিল। মৌজাটোৰ বেজগাঁও, কঁহাৰ, দেৱলীয়া গায়ন, ভৰলুৱা, শেনচোৱা, নামতিয়াল, কুমাৰ, গনক, কুঁকুৰাচোৱা, চিৰাখুন্দা, মাউত, ঘোঁৰাচোৱা, কমাৰ, খনিকৰ গাৱঁত আহোম ৰজাৰ বৃত্তিয়াল লোকসকলে যথেষ্ট মিলা-প্ৰীতিৰে অতীজতে বাস কৰিছিল। বৰ্তমান সেই গাঁওসমূহৰ নামটোহে আছে, বৃত্তি বা শিল্প পাবলৈ নাই। বিভিন্ন বৃত্তিধাৰী লোকসকলক এনেদৰে গাঁও পাতি বসতি কৰিবলৈ দিয়া কাৰ্যই প্ৰমাণ কৰে যে আহোম ৰজাসকলে প্ৰজাৰ শ্ৰমক সংগঠিত ৰূপ দি জাতীয় অৰ্থনীতিৰ ভেটি সুদৃঢ় কৰাত গুৰুত্ব দিছিল।

বৰ্তমান শ'ল'গুৰি মৌজা আহোম, কোচ, কৈৱৰ্ত, কলিতা, ব্ৰাহ্মণ, কেওট, চুতীয়া, নাথ, গোহাঁই-মহন্ত আদি কেইবাটাও জাতি-জনগোষ্ঠীৰ বাসস্থান। জাতিসমূহৰ মাজত পূৰ্বতে জাতিগত বিভেদ যথেষ্ট বেছি আছিল। উচ্চ-নিম্ন ধাৰণাৰ বাবে ব্ৰাহ্মণ, মহন্ত আদি উচ্চ জাতিসমূহে সমাজত সদায় আগস্থান পাইছিল। কিন্তু, বৰ্তমান এই পাৰ্থক্য যথেষ্ট শিথিল হৈ পৰিছে। বৰ্তমান জাতিসমূহ বৈবাহিক সম্বন্ধৰে বান্ধ খাই পৰিছে। গোলকীকৰণৰ যুগত উচ্চ-নিম্নৰ দৰে ভ্ৰান্ত ধাৰণাৰ পৰা মৌজাটোৰ নতুন প্ৰজন্ম মুক্ত হৈছে যদিও পুৰণি চামৰ মাজত এই চিন্তা-ধাৰা বৰ্তমানেও একেবাৰে নোহোৱা হৈ যোৱা নাই।

ধৰ্মৰ দিশৰ পৰা মৌজাটোত হিন্দু আৰু ইছলাম এই দুই ধৰ্মৰ লোক পোৱা যায়। অতীজৰে পৰা যথেষ্ট মিলা-প্ৰীতিৰে দুই ধৰ্মৰ লোকে শান্তিপূৰ্ণভাৱে মৌজাখনত বসবাস কৰি আহিছে। দুয়োটা সম্প্ৰদায়ৰ মাজত কোনোধৰণৰ সংঘৰ্ষ সংঘটিত হোৱাৰ নজিৰ পোৱা নাযায়। ইতিহাসলৈ চালে দেখা যায় যে এই মুছলমান লোকসকল আহোমৰ দিনত বিভিন্ন কাৰণত অসমলৈ আহি পাছত স্থায়ীভাৱে থাকি গৈছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত মিৰজুম্‌লাই অসম আক্ৰমণ কৰি ৰাজধানী গড়গাঁও অধিকাৰ কৰিছিল। পিছত অসমৰ প্ৰতিকূল জলবায়ুৰ বাবে এই ঠাই এৰি যায় যদিও বহুত সৈন্য (মোগল) থাকি গ'ল আৰু শিৱসাগৰতে থাকিবলৈ ল'লে (বৰবৰুৱা ১৪৮)। বহু বন্দী মুছলমান সৈন্য অসমত থাকি গৈছিল আৰু অসমীয়া তিৰোতাৰ পাণি গ্ৰহণ কৰিছিল (বৰুৱা ১৯৪)। কালক্ৰমত থলুৱা লোকৰ সংস্পৰ্শত মাতে-কথাই, ভাৱে-চিন্তাই এই মুছলমান সকল অসমীয়া হৈ পৰে। শ'ল'গুৰি মৌজাত বাস কৰা মুছলমানসকলেও অতীজৰে পৰা বিহুকে আদি কৰি স্থানীয় লোকসকলৰ বিবিধ ধৰ্মীয় কাৰ্যত অংশগ্ৰহণ কৰি ধৰ্মীয় উদাৰতাৰ পৰিচয় দাঙি ধৰিছে।

সমাজ এখনৰ সৈতে ওতঃপ্ৰোতঃভাৱে সম্পৰ্কিত হৈ থাকে সাংস্কৃতিক, অৰ্থনৈতিক আদি দিশসমূহ। শ'ল'গুৰি মৌজাৰ অৰ্থনীতি মূলতঃ কৃষিয়ে ধৰি ৰাখিছে। অতীজৰে পৰা ধান, বিবিধ খাৰিফ শস্য, ফলমূল আদি উৎপাদনেৰে মৌজাবাসী স্বাৱলম্বী হৈ আহিছে। অতীজতে শ'ল'গুৰি মৌজাৰ প্ৰায় প্ৰত্যেকঘৰ লোকে কৃষি কাৰ্যৰ জৰিয়তে বছৰটোলৈ ভাতৰ বাবে চাউল যোগাৰ কৰি লৈছিল। কিন্তু, স্বাধীনতাৰ পাছত উন্নয়ন প্ৰক্ৰিয়া, প্ৰশাসনীয় সুবিধা, শিক্ষানুষ্ঠান, শিল্প-উদ্যোগ আদিয়ে জনসাধাৰণৰ জীৱন ধাৰণ প্ৰক্ৰিয়ালৈ ব্যাপক পৰিৱৰ্তন আনিলে। বিশেষকৈ শিৱসাগৰ তেল আৰু প্ৰাকৃতিক গেছ আয়োগ (ongc) ৰ আৰম্ভণি হোৱাৰে পৰা শ'ল'গুৰি মৌজাৰ বুজন পৰিমাণৰ লোকে এই আয়োগত নিযুক্তিৰ সুবিধা লাভ কৰে। আধুনিক শিক্ষা বিস্তাৰৰ বাবে গঢ় লোৱা বিভিন্ন বিদ্যালয়,

মহাবিদ্যালয়ে অঞ্চলটোত আধুনিক শিক্ষাৰ পোহৰ বিলোৱাৰ লগতে বহু লোকক শিক্ষকতা বৃত্তিৰ স'তেও জড়িত কৰায়। এইবিলাকৰ সমান্তৰালভাৱে ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো এচাম লোক সফল হোৱা দেখা যায়। সাম্প্ৰতিক সময়ত যোগাযোগ আৰু পৰিবহন ব্যৱস্থাৰ উন্নতিয়ে জীৱন-প্ৰবাহত ব্যাপক পৰিৱৰ্তনৰ সূচনা কৰিছে। শ'ল'গুৰি মৌজাৰ মাজেৰে পাৰ হৈ যোৱা খৰিকটীয়া আলিয়ে আজিও মৌজাটোৰ পৰিবহন ব্যৱস্থাত মূল ভূমিকা গ্ৰহণ কৰিছে। কিন্তু, এতিয়াও মৌজাটোৰ দুই এখন গাৱঁত পৰিবহনৰ বাবে সূচল অৱস্থাৰ অভাৱ পৰিলক্ষিত হয়।

অতীজতে শ'ল'গুৰি মৌজাত ব্যাপক হাৰত মুগা খেতি হৈছিল। কিন্তু, ক্ষুদ্ৰ চাহখেতিৰ প্ৰসাৰে মুগাপালনৰ ক্ষেত্ৰখন সংকুচিত কৰিলে। অৱশ্যে, ক্ষুদ্ৰ চাহখেতি কৰি বহু যুৱকে স্বাৱলম্বী হোৱাৰ চেষ্টা কৰিছে। কিন্তু, কেঁচা চাহপাতৰ দৰ সততে উঠা-নমা হৈ থকাৰ বাবে খেতিয়কসকলে আশানুৰূপ ফল লাভ কৰিব পৰা নাই। মৌজাটোত প্ৰকৃতিয়ে অনবদ্যভাৱে দান কৰা এবিধ সম্পদ হ'ল সাঁচি গছ। অতি সহজতে অঞ্চলটোত হোৱা এই গছবিধৰ পৰা তৈয়াৰ কৰা সুগন্ধিৰ যথেষ্ট আদৰ আছে। সেয়ে, অতি উচ্চ দামত এই গছ বিক্ৰী কৰি অঞ্চলবাসী লাভান্বিত হয়। শ'ল'গুৰি মৌজাৰ নাৰীসকলৰ দৈনন্দিন জীৱনৰ এক এৰাব নোৱাৰা অংগ হ'ল তাঁতশাল। অতীজতে প্ৰত্যেক ঘৰতে একোখনকৈ তাঁতশাল আছিল। দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীসমূহ মহিলাসকলে ঘৰতে তাঁতশালত উৎপাদন কৰি লৈছিল। বৰ্তমান এনে মহিলাৰ সংখ্যা কমিছে যদিও নোহোৱা হৈ যোৱা নাই। বিশেষকৈ আত্মসহায়ক গোটৰ যোগেদি মহিলা সকলে দলবদ্ধভাৱে ব্যৱসায়িক ভিত্তিত কাপোৰ বৈ স্বাৱলম্বী হৈ উঠিছে। এচামে ব্যৱসায়িক সফলতাৰ বাবে জাৰ্চী, গাহৰি, কুকুৰা, হাঁহ আদি পুহিছে যদিও অঞ্চলটোৰ অভাৱ পূৰণ কৰিব পৰা নাই। শ'ল'গুৰি মৌজাৰ কৈৱৰ্ত গাৱঁৰ লোকসকলৰ অৰ্থনীতিৰ মূল আধাৰ আছিল মাছৰ ব্যৱসায়। বৰ্তমানেও গাঁওখনৰ কিছু লোকে এই পৰম্পৰা ধৰি ৰাখিছে যদিও সময়ৰ সোঁতত আন বিভিন্ন জীৱিকা গাঁওখনৰ জনসাধাৰণে আকোঁৱালি লৈছে।

শ'ল'গুৰি মৌজাৰ লোকসকলৰ জীৱন-যাপনৰ মানদণ্ড আগতকৈ বহুগুণে উন্নত হৈছে। দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা কমিছে। চৰকাৰৰ গ্ৰাম্য উন্নয়ন আঁচনি সমূহে জনসাধাৰণক বিভিন্ন সুবিধা দিছে। ৰেহাই মূল্যত চাউল, এম জি এন ৰেগা আঁচনিত জব কাৰ্ড লাভ কৰি অৰ্থনৈতিকভাৱে স্বচ্ছল হৈ পৰিছে।

ৰংপুৰত ৰাজধানী স্থাপন হোৱাৰ আগৰে পৰা শ'ল'গুৰি মৌজাৰ জনসাধাৰণৰ মাজত কৃষিভিত্তিক উৎসৱ হিচাপে বিহুৰ প্ৰচলন আছিল। স্বৰ্গদেও ৰুদ্ৰসিংহই বিহুক ৰাজকীয় মৰ্যদা প্ৰদান

কৰে। ইয়াৰ উপৰিও ম'হযুঁজ, হাতী যুঁজ, কুকুৰা যুঁজ, বুলবুলি যুঁজ, বাঘ-ঘোঙৰ যুঁজ আদিৰো প্ৰচলন কৰে। আকৌ এইজনা ৰজাৰ দিনতে নাওখেল আৰু শেন যুঁজৰো প্ৰচলন হয় (গগৈ ১৮)। বৰ্তমানো শ'ল'গুৰি মৌজাৰ কিছু কিছু ঠাইত মাঘ বিহুৰ সময়ত ম'হ যুঁজৰ আয়োজন কৰা হয়। শ'ল'গুৰি মৌজাত জাতি ধৰ্ম নিৰ্বিশেষে বছৰৰ তিনিওটা বিহু পালন কৰা হয়। বিশেষকৈ ৰঙালী বিহুৰ উলহ-মালহ মৌজাটোত বেছিকৈ পৰিলক্ষিত হয়।

মৌজাটোত বিভিন্ন ধৰণৰ লোক উৎসৱ যেনে—দুৰ্গা পূজা, কালী পূজা, লক্ষ্মী পূজা, বিশ্বকৰ্মা পূজা, সৰস্বতী পূজা পালন কৰা হয়। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, মহাপুৰুষৰ আৱিৰ্ভাৱ আৰু তিৰোভাৱ তিথি মৌজাটোৰ প্ৰত্যেক নামঘৰতে পালন কৰা হয়। ইয়াৰ উপৰিও ছ্যু-কা-ফা দিৱস, জয়মতী স্মৃতি দিৱস, চিলাৰায় দিৱস আদি ৰাজ্যিক পৰ্যায়ৰ উৎসৱসমূহ উৎসাহেৰে পালন কৰি পুণ্যাত্মাসকললৈ মৌজাবাসীয়ে শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ উপৰিও মে-ডাম-মে-ফি অঞ্চলটোৰ আহোম লোকসকলে ঠায়ে ঠায়ে পালন কৰে।

মৌজাখনত ইছলামধৰ্মীসকলে ঈদ যথেষ্ট উলহ-মালহৰে পালন কৰে। অতীজৰে পৰা ঈদত হিন্দুসকলেও অতি আগ্ৰহেৰে মুছলমান ভাই-বন্ধুৰ ঘৰত ঈদ খাবলৈ যায়। এই উৎসৱ শ'ল'গুৰি মৌজাৰ ভ্ৰাতৃত্ববোধৰ প্ৰতীক।

২০১১ চনৰ লোকপিয়ল মতে, শ'ল'গুৰি মৌজাৰ মুঠ জনসংখ্যা তেত্ৰিছ হাজাৰ নশ ছৌৰাশি (৩৩,৯৮৪) জন। তাৰ ভিতৰত অনুসূচীত জাতিৰ লোক আছে পোন্ধৰশ তেষষ্ঠি (১৫৬৩) জন আৰু অনুসূচীত জনজাতিৰ লোক আছে এশ দহ (১১০) জন। মৌজাটোত সোতৰ হাজাৰ চাৰিশ আঠছল্লিশ (১৭,৪৪৮) জন পুৰুষৰ বিপৰীতে যোল হাজাৰ পাঁচশ ছয়ত্ৰিছ (১৬,৫৩৬) গৰাকী মহিলা পোৱা যায়। ১৭,৪৪৮ জন পুৰুষৰ ভিতৰত মুঠ শিক্ষিত পুৰুষৰ সংখ্যা যোল হাজাৰ চৌসত্তৰ (১৬,০৭৪) জন আৰু অশিক্ষিত পুৰুষৰ সংখ্যা তেৰশ ছৌসত্তৰ (১৩৭৪) জন। ঠিক তেনেদৰে শিক্ষিত মহিলা চৈধ্য হাজাৰ আঠশ একছল্লিছ (১৪,৮৪১) গৰাকীৰ বিপৰীতে যোল্লশ পঞ্চানব্বৈ (১৬৯৫) নিৰক্ষৰ মহিলা পোৱা যায়। ইয়াৰ ভিতৰত পাঁচ হেজাৰ তিৰানব্বৈ (৫,০৯৩) গৰাকী মহিলা অৰ্থনৈতিক ভাৱে স্বাধীন। (তথ্যদাতা ৰবীন শ্যাম, Primary investigator, office of the deputi director of economics and statistics, Sivasagar)

## প্ৰসংগসুচী ঃ


১। বৰা, ৰঞ্জন, বৰদলৈ, ৰাতুল ঃ নামদাং কোষ, ২০১৯, শিৱসাগৰ, পৃ. ২৬৫

২। উক্ত গ্ৰন্থ, পৃ. ২৬৭

৩। নেওগ মহেশ্বৰ ঃ পবিত্ৰ অসম, ১৯৯৯, গুৱাহাটী, পৃ. ৩৯

৪।বৰা, ৰঞ্জন, বৰদলৈ, ৰাতুল ঃ নামদাং কোষ, ২০১৯, শিৱসাগৰ, পৃ. ৩৯

৫। উক্ত গ্ৰন্থ, পৃ. ৩৯

৬। উক্ত গ্ৰন্থ, পৃ. ৪০

৭। উক্ত গ্ৰন্থ, পৃ. ৪৩

৮। উক্ত গ্ৰন্থ, পৃ. ৪৪

৯। বৰুৱা, সোণাৰাম ঃ বুৰঞ্জীয়ে পৰশা ৰংপুৰ, ২০০০, শিৱসাগৰ, পৃ. ৩৯

১০।বৰা, ৰঞ্জন, বৰদলৈ, ৰাতুল ঃ নামদাং কোষ, ২০১৯, শিৱসাগৰ, পৃ. ৪৯

১১। উক্ত গ্ৰন্থ, পৃ. ৫০

১২। উক্ত গ্ৰন্থ, পৃ. ৫১

১৩। উক্ত গ্ৰন্থ, পৃ. ৫৩

১৪। উক্ত গ্ৰন্থ, পৃ. ৫৪

১৫। উক্ত গ্ৰন্থ, পৃ. ২২৬

১৬। সন্দিকৈ, ভূবন চন্দ্ৰ ঃ ইতিহাসৰ ছাঁ পোহৰত পুৰণি ৰংপুৰ, পৃ.৭

১৭। বৰবৰুৱা, হিতেশ্বৰঃ আহোমৰ দিন, ১৯৮১ চন, পৃ. ৪৪

১৮। বৰুৱা, সোণাৰাম (সম্পা.) ঃ বুৰঞ্জীয়ে পৰশা ৰংপুৰ,২০০০চন, শিৱসাগৰ, পৃ. ১৯৪